**উপসাগৰীয় অঞ্চলৰ শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ চৰকাৰী মুখপাত্ৰৰ সঁহাৰি**

মাৰ্চ 19, 2026

যোৱা কেইদিনমানত উপসাগৰীয় অঞ্চলৰ শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰনধীৰ জয়ছোৱালে কয়:

ভাৰতে পূৰ্বতেও সমগ্ৰ অঞ্চলটোত শক্তি আন্তঃগাঁথনিকে ধৰি অসামৰিক আন্তঃগাঁথনিক লক্ষ্য কৰি লোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছিল। গতিকে, এই অঞ্চলটোৰ বিভিন্ন ঠাইত শক্তি প্ৰতিষ্ঠানসমূহৰ ওপৰত হোৱা শেহতীয়া আক্ৰমণবোৰ অত্যন্ত উদ্বেগজনক আৰু ই সমগ্ৰ বিশ্বৰ বাবে ইতিমধ্যে অনিশ্চিত হৈ থকা শক্তি পৰিস্থিতিটোক অধিক অস্থিৰ কৰি তুলিব। এনেধৰণৰ আক্ৰমণ একেবাৰেই অগ্ৰহণযোগ্য আৰু এইবোৰ বন্ধ হোৱাটো প্ৰয়োজন।

নতুন দিল্লী

মাৰ্চ 19, 2026